# ঘৰুৱা ঘটনা

[মঞ্চৰ ওপৰত অশোক বৰঠাকুৰ। বস্তু-বাহানিৰে ঠাহ খোৱা কোঠালি।]

অসম্ভৱ—অসম্ভৱ—অসম্ভৱ [চাৰিওপিনে চায়, আগুৱাই আহে, বস্তু-বাহানিত বাৰে-বাৰে ধাক্কা খায়] এইটো মানুহ থাকা ঘৰ নে মৰাপাটৰ গুদাম! ইয়াত মানুহ থাকে! আৰু কিমান বাৰ ক'ম—ভট্টক আৰু কিমান বাৰ ক'ম, হয় মোক ভেকেন্ট হোৱা ডাঙৰ ৰুমটো দিয়ক—বা ষ্ট'ৰ ৰুমটোকে ৰিপেয়াৰ কৰাই দিয়ক, ইমানবোৰ বস্তু-বাহানি লৈ কি দম বন্ধ হৈ মই ইয়াত মৰা পৰিম! নাই, ভট্টই কিয় শুনিব—লেণ্ডলৰ্ড জাতটোৰেই সেই, ভট্টও লেণ্ডলৰ্ডহে তেও, তেওঁ কিয় ভাৰাতীয়াৰ সুবিধা-অসুবিধালৈ চাব—ৰেগুলাৰ ভাৰা পাইছে, কোনো ট্ৰাবল্ নাই, আৰামচে আছে, মোক ডাঙৰ আহল-বহল ৰুমটোৰেই বা একে ভাৰাতে দিব কিয়, ষ্ট'ৰ ৰুমটোকেই বা মেৰামত কৰাই দিব কিয়—কিহৰ গৰজ, ভট্টৰ কিহৰ গৰজ! [কথা কৈ-কৈ জেপৰপৰা কলমডাল উলিয়ায় আৰু অন্যমনস্ক হৈ চকী এখনত ধাক্কা খায়, বিৰক্ত হয়] ইম্-পচিব্‌ল্! [বহিবলৈ ঠাই এডোখৰ বিচাৰে, কিন্তু চকীবোৰত কিতাপ, কাগজ, বটল ইত্যাদি ভৰ্তি, আৰু বিছনাখনতো। ঘৰতে ধাক্কা খোৱা চকীখনৰপৰা কিতাপ-পত্ৰ দলিয়াই পেলায় আৰু চকীখনত বহি মজিয়াৰ ওপৰৰ পুৰণি টাইপৰাইটাৰৰ ওপৰত এখন ভৰি আৰু মজিয়াৰ ওপৰৰ ৰেডিঅ'টোৰ ওপৰত আনখন ভৰি মেলি দিয়ে, কলমডাল মুখত দিয়ে। চিন্তান্বিতভাৱে] ইম্-পচিব্‌ল্! সঁচাকৈয়ে ইম্-পচিব্‌ল্, সঁচাকৈয়ে আৰু নোৱাৰি, এই ঘৰত আৰু এসপ্তাহ থাকিলে মই উশাহ বন্ধ হৈ মৰি থাকিম, কাগজত হে'ডলাইন ওলাব 'ইয়ং মেন্ ফাউণ্ড ডে'ড্ ইন্ ৰুম ঃ অক্সিজেন ট্ৰেজেডী ইন্ চিটী ফ্লেট।' নাই, নাই, তেনেকৈ বিখ্যাত হ'বৰ সময় মোৰ এতিয়াও হোৱা নাই, ইয়ংমেন্ ইন্ কুয়ে'শ্চন উইল্ বি ফাউণ্ড্ ষ্টিল গয়িং ষ্ট্ৰং ফৰ্ এনাডাৰ হানড্ৰেড্ ইয়াৰ্ছ্। ৰ'দ-বতাহ সোমাব পৰা ঘৰ এটালৈ যাব লাগিব, এই ঘৰটোৱে মোক নোজোৰে—অ, অ, মই মন স্থিৰ কৰিলোঁ, [কলমডাল খোলে] এতিয়াই ভট্টলৈ লিখিম—এতিয়াই ভট্টক নটিচ দিম, মই এই ঘৰ এৰিলোঁ [হাত বঢ়াই টেবুলত পেডটো বিচাৰে, বহুতো বস্তু, তাৰ ভিতৰত এটা টৰ্চলাইট আৰু এছট্ৰে আৰু কিবাকিবি—সিঁচৰতি হৈ পৰে, অৱশেষত পেড্‌টো চকীৰ কুচনৰ তলৰপৰা টানি বাহিৰ কৰে] বাচ, আৰু কোনো কথা নাই, ডিচাইডে'ড্, ৱান্স্ ফৰ্ অল্। বাচ, ডেট্‌চ্ ফাইনেল— [লিখিব আৰম্ভ কৰে, কলমত চিয়াঁহি নোলায়] ধেৎ! [কলম জোঁকাৰে] কি কাণ্ড! কোনো এটা কাম যদি—! [চিয়াঁহিৰ দোৱাত বিচাৰে, অসংখ্য বটল, দৰৱ..., টানে আৰু বিৰক্ত হৈ ঠেলি দিয়ে, প্ৰতিটো বটলৰ লগে-লগে গালি পাৰে—"ধেৎ" "ৰাবিচ!" "ইম্-পচিব্‌ল্!" "নুইচে'ন্স্", "ধেৎ!" "ঘৰ নে জংগল! কাজিৰঙা...নহয়, নহয়, আফ্ৰিকা, আফ্ৰিকা!" আৰু অৱশেষত বিছনাৰ তলৰপৰা চিয়াঁহিৰ দোৱাতটো উলিয়ায়, কলম জুবুৰিয়ায়, লিখে, পঢ়ে] ডিয়াৰ ছাৰ্—দূৰ! কিহৰ ডিয়াৰ ছাৰ্!...ভট্টাচাৰ্য ডাঙৰীয়া, অত্যন্ত দুখেৰে সৈতে আপোনাক জনাবলগীয়া হৈছোঁ যে মই এই ঘৰটোৰ দখল এৰি দিয়াৰ সিদ্ধান্ত কৰিলোঁ। ডাঙৰ ৰুমটো খালি হ'লে একে ভাৰাতে মোক দিয়াৰ কথা দিছিলে, বা অন্ততঃ ষ্ট'ৰ ৰুমটোকে ৰিপেয়াৰ কৰাই দিব বুলি আপুনি এছিয়'ৰেন্স্—নহয় [কাটে] প্ৰতিশ্ৰুতি দিছিলে, কিন্তু আজিলৈকে মই এই ঠেক ৰুমটোতে ঘৰ আৰু প্ৰাইভেট অফিচ দুয়োটাৰে কাম চলাবলগীয়া হৈ আহিছে। আপুনি জানে, ডাঙৰ ৰুমটোৰ কাৰণে এ'ক্সট্ৰা—অধিকা—ত্ৰিছ টকা ভাৰা দিয়াৰ মোৰ সামৰ্থ্য নাই—অৰিজিনেলি—প্ৰথম-প্ৰথম—তেনেকুৱা কোনো চুক্তি নাছিল, আপোনাৰ এইটোও অবিদিত নহয় যে মোৰ প্ৰাইভেট অফিচত কাম বঢ়াৰ লগে-লগে বস্তু-বাহানিও বাঢ়ি গৈছে, এই ঘৰত আৰু বস্তু-বাহানি কুলোৱা মোৰ পক্ষে সম্ভৱ নহয়। আজি ছমাহ ধৰি ষ্ট'ৰ ৰুমটো মেৰামতি কৰাই দিবলৈ অনুৰোধ কৰি আজিলৈকে কোনো ফল নাপালোঁ। গতিকে অত্যন্ত দুখেৰে সৈতে মই জনাবলৈ বাধ্য হৈছোঁ যে...

[টেলিফোন বাজে। চঁক্ খাই উঠে, বিৰক্ত হয়, উঠে, ইপিনে-সিপিনে চায়, কোনো টেলিফোন চকুত নপৰে। ওভাৰকোটটো দাঙি চায়, বিছনাৰ চাদৰ দাঙি চায়, তাৰপাছত মজিয়াৰ তাঁৰ এডালত উজুটি খায়, গালি পাৰে, তাঁৰডালেৰে হাত বুলাই-বুলাই গৈ টেবুলৰ তলৰ লেতেৰা কাপোৰৰ দ'ম এটাৰপৰা এখন-এখনকৈ কাপোৰ দলিয়ায় আৰু টেলিফোনটো উদ্ধাৰ কৰে] এঃ ধোবাটোৰ কাপোৰ জমা হৈহে গৈছে—বেটাৰ আহিম-আহিম বুলি আৰু টিকনিৰে পাত্তা নাই—ইহঁতৰ যদি কাৰোবাৰ কিবা কথাৰ ঠিক আছে [টেলিফোন বাজিয়েই থাকে] অল্‌ৰাইট্, অল্‌ৰাইট্— [কাণত লয়] হেল-হেল-হেল কান্ট হিয়াৰ্ ইউ—স্পীক্ আপ্—হেল, ইয়েছ্ ইয়েছ্, টু-জিৰ'-নাইন, ইয়েছ্, অশোক স্পীকিং, কোন, অ', বিদ্যুৎ, কি হ'ল? কি, পৰেশবাবুৰ ঘৰটো খালি হৈছে? খালি হৈছে! আজিৰপৰা? হোৱাট্ এ' বিট্ অফ্ গুড্‌লাক্! মই এইমাত্ৰ ভট্টলৈ নটিচ দি চিঠি লিখিব ধৰিছিলোঁ। ৰিয়ে'লী, এই ঘৰটোত আৰু নোৱাৰি, সাংঘাতিক কন্‌জে'চ্‌চন্—ঘৰ আৰু প্ৰাইফেট্ অফিচ একেলগে—যাক, পৰেশবাবুৰ

ঘৰটোলৈকে—নিশ্চয়, নিশ্চয়—সোণত সুৱগা—কি? আজিয়েই শ্বিফ্‌ট্ কৰিব লাগিব? আজিয়েই? পাঁচটাৰ আগেয়ে? আজি পাঁচ বজাৰ আগেয়ে? কিয়? কিহৰ ইমান লৰালৰি? অ’, সুৰেন দত্তই ঘৰটো লওঁ বুলিছে? অ—বুজিছোঁ-বুজিছোঁ—অ, হয় কথাটো—তেওঁ গৈ পোৱাৰ আগেয়েই অকুপাই কৰিব লাগিব। অ, অ, ঠিক কথা, তই ঠিকেই কৈছ, সুৰেন দত্তই পৰেশবাবুক হয়তো ডবল ভাৰা অফাৰ কৰি বহিব—টকাৰ গৰম—অ, ঠিক, মই যেনেতেনে সুৰেন দত্ত গৈ পোৱাৰ আগেয়ে ঘৰটো দখল কৰিব লাগিব—আজি পাঁচটাৰ আগেয়ে, তই ঠিক জান? ধেৎ, বৰ শ্বর্ট নটিচ্ হয় অ’, পাঁচটাৰ ভিতৰতে মই মোৰ এই বিশ্বব্ৰহ্মাণ্ডখন কেনেকৈ পেক্ কৰিম [কৰুণভাৱে কোঠাটোলৈ চায়, টেবুলৰ ঘণ্টাটো টিপে, কোনেও উত্তৰ নিদিয়ে, ফোনৰ মুখত হাত দি চিঞৰে] কাঞ্চা! কা-ঞ্চা-আ! দৰ্কাৰৰ সময়ত যদি কাৰবাক— [চেষ্টা এৰি দিয়ে, পুনৰ ফোনত কথা কয়] অ, মই বুজিছোঁ চিটুয়েচন্‌টো—অ, যেনেকৈ হওক পাঁচটাৰ ভিতৰত শ্বিফ্‌ট্ কৰিবই লাগিব [দেৱালৰ ঘড়ীটোলৈ চায়, কিছু সময় শুনে, এবাৰ আকৌ নিষ্ফল ঘণ্টা টিপে] অ, বাৰু মই সামৰোঁ যিমানদূৰ পাৰোঁ—আৰু চা, এতিয়া ট্ৰাক্-চাক ঠিক কৰিবৰ সময় নাই, তোৰ গাড়ীখন লৈ যিমান সোনকালে পাৰ আহি যা—তাতেই যিখিনি বস্তু নিব পাৰোঁ নিম—পেট্ৰল নাই? কি পেট্ৰল নাই? পেট্ৰল লৈ আহ—অ’—পইছা—ধেৎ—অ, বাৰু-বাৰু—তেনেহ’লে তই গাড়ীখনত পেট্ৰল লৈ যিমান সোনকালে পাৰ আহি যা, মই ইতিমধ্যে পেক্ কৰোঁ—কাঞ্চাটোও নাই—অকলে—নাই, বজাৰলৈ পঠোৱা নাই—অ, নক’বি আৰু—ৰবিন্সন ক্ৰুছ’ৰদৰে, ফেৰাডেও নাই—কি ক’লি? ফ্ৰাইডে? ফেৰাডে’ নহয়? বেছ, বেছ, ফ্ৰাইডে’। কিন্তু ফেৰাডে’ তেনেহ’লে কোন আছিল? বাৰু—বাৰু—কোন, পৰেশবাবু নেকি? অ—নিশ্চয় কথা হ’ম—দে তেওঁক—হেল—ইয়েছ—মই অশোক বৰঠাকুৰে কৈছোঁ—অ—বিদ্যুতে ঠিকেই কৈছে, হয়, তাতেই কথা হ’ম—বিদ্যুতে কোৱাৰদৰেই—হয়, মই এতিয়াই যাব ধৰিছোঁ—আপুনি ইতিমধ্যে কাকো ভাৰা দি নিদিব কিন্তু—অ নিশ্চয়, নিশ্চয়, আপোনাৰ লগতো সেইখিনি আণ্ডাৰষ্টেণ্ডিং কিমান দিনৰপৰাই—আছে—হয়—কি কৈছে? হয়—বাৰু, বাৰু—ভাল [ফোনটো নমাই থয়, নিঃশ্বাস এৰে, হয়তো ৰুমাল উলিয়াই কপালৰপৰা ঘামো মচে—আৰু বিপন্নৰদৰে কোঠালিটো চায়, তাৰপাছত দেৱাল ঘড়ীটো চায়] পাঁচ বজাৰ আগেয়ে?! এই তামাম সংসাৰ?! ডিয়াৰ মি! [ব্যতিব্যস্ত হৈ ঘণ্টা টিপে] কাঞ্চা!—কা-ঞ্চা-আ! ষ্টুপিড! মই বাৰু এতিয়া অকলে এই আস্তাবলখন কেনেকৈ সামৰোঁ,— [ব্যতিব্যস্ত হৈ ট্ৰাঙ্ক টানে, চুটকেচ খোলে; বেগ লুটিয়াই খালি কৰে, আৰু আলনাৰপৰা, বিছনাৰপৰা, টেবুলৰপৰা, চকীৰ হাতলৰপৰা, কামিজ-পেণ্ট-টাই-ধুতি-ৰুমাল য’ত যি পায় বাকচত ভৰাব ধৰে, ঘামি উঠে, সকলো বেচিজিল হৈ যায়, পুনৰ টেলিফোন বাজে] হোৱাট্ এ’ নুইচেন্স্! [ফোন তোলে] হেল? কোন? মুক্তিয়াৰ বাবু? অ, মই অশোক বৰঠাকুৰ। ভট্টই ফোন কৰি কৈছে? ষ্ট’ৰ ৰুমটো ৰিপেয়াৰ কৰাৰ কথা? নে’ভাৰ্ মাইণ্ড, মোৰ এতিয়া সময় নাই—মই পাঁচটাৰ ভিতৰত নতুন ঘৰ ল’ব লাগে—পেক্ কৰিছোঁ—হয়, পেক্ কৰিছোঁ—ভাৰা আপোনাৰ হাতত দি যাম এজ্ ইউজুৱেল—এ’ক্সকিউজ মি—মোৰ এতিয়া সময় নাই—পাঁচটাৰ ভিতৰত—ষ্ট’ৰ ৰুমৰ মেৰামতিৰ আৰু কোনো দৰ্কাৰ—[হাঁহে] নাই, নাই, খং কৰিম কিয়, খং কৰিম কিয়, হয়, সেইবোৰ ৰিপেয়াৰ্ ৱৰ্কত কিছু সময় লয়েই, হয়,—কি ক’লে? ৰোম্ ৰাজ্ নট্ বিল্ট্ ইন্ এ’ ডে’? হয়, ভট্টই ঠিকেই কৈছে [মুখ ভেঙুচায়] বঢ়িয়া আৰ্গুমেন্ট, তেখেতে ঠিকেই কৈছে, ৰোম্ ৰাজ্ নট্ বিল্ট্ ইন্ এ’ ডে’—তেনেস্থলত অশোক বৰঠাকুৰৰ নগণ্য ষ্ট’ৰ ৰুম—নাই-নাই কাটিং মাৰিব খোজা নাই—বাৰু, বাৰু, ভাৰাটো আপোনাক দি যাম এজ্ ইউজুৱেল—বাৰু—বাৰু—হয় [ফোন থয়] উঃ, কি মানুহ! [পুনৰ কাপোৰ-কানি টনাত লাগে, মাজে-মাজে সন্ত্ৰস্ত হৈ ঘড়ী চায়] টাইম্ ফ্লাইজ্, টাইম ফ্লাইজ্, [বিছনাৰ তলৰপৰা এখন চকা-ভগা জীৰ্ণ পেৰাম্বুলেটৰ টানি বাহিৰ কৰি আনে] টাইম্ ইজ্ আউট্ অফ্ জয়ন্ট্ [ৰৈ যায়, স্তম্ভিত হৈ ‘প্ৰেম্’খনলৈ চায়] হোৱাট ইজ দিছ্? এইখন ক’ৰপৰা আহিল? মোৰেই জানো? [চিন্তা কৰে] আঃ, ভাইমনৰ বিয়াৰ আগৰ বছৰ...মাণিকী বাইদেউহঁত যেতিয়া আহিছিল—বাবলুৰ ‘প্ৰেম্’’—চকাটো ভাঙি গৈছিল—মোক নতুন চকা এটা খুৱাই পঠিয়াই দিবলৈ কৈছিল...ধেৎ, কি লাজৰ কথা আজিলৈকে আৰু সেইখন মেৰামত কৰোৱাই নহ’ল—অৱশ্যেই, ব্যস্ত মানুহ মই [‘প্ৰেম’ত হাত দিয়ে] মামৰে ধৰিছে নেকি? অবিশ্বাস্য! ভে’হিকল্‌খন চলে নে? [নচলে, চকা ভগা]—প্ৰকৃতিৰ নিয়ম—ৰ’দ-বতাহ-পানী-মামৰ-ৱে’ৰ্ এণ্ড্ টিয়েৰ্—এভ্ৰিথিং ইজ্ আউট অফ্ জয়ন্ট, টাইম্ ইজ্—[সময়ৰ কথা মনত পৰে, ঘড়ী চায়, ব্যস্ত হৈ উঠে] কিন্তু এইখন জানো মই পেক্ কৰাৰ কিবা যাষ্টিফিকেচন্—বাব্‌লুও ডাঙৰ হৈছে [‘প্ৰেম’খন আধা চোঁচৰাই আধা বগৰাই কোঠাৰ বাহিৰলৈ পঠিয়াই দিয়ে] ৰ’ল্ অন্, দাও ডাৰ্ক এণ্ড্ ডীপ্ ব্লু অ’চন্ (ocean), ৰ’ল্! [নিশ্বাস টানে] যাক, এটা বস্তু কমিল যিহওক [বিচিত্ৰ ধৰণৰ কাপোৰ ট্ৰাঙ্ক আৰু চুটকেচৰ ভিতৰলৈ দলিয়ায়, দুই-এটা ছিঙা অৱস্থা নোহোৱা কামিজ আৰু গেঞ্জি আৰু এটা পুৰণি কোট দলিয়াই পেলায়] এই ‘প্ৰেম্’খন নো বাৰু মই অতদিনে থৈ দিছিলোঁ কিয়? কিয় আৰু! মাণিকী বাইদেউৰ, বাব্‌লুৰ বস্তু কাৰণেই, অফ্ কৰ্চ্! ভাল ছেন্টিমেন্টেল কাণ্ড-কাৰখানা! ছেন্টিমেন্টেল...ছেন্টিমেন্টেল... [ভাবে, ফোন তোলে] হেল? হেল? টু ডাব্‌ল্ ৱান্ প্লীজ? এন্‌গেইজড্? অ’—থেঙ্ক্ ইউ [ফোন নমাই থয়] নে’ক্স্‌ট—হোৱাট্? ইয়াৰ পাছত কি? অ’ মোৰ দাড়ি খুৰোৱা সৰঞ্জাম [ব্লেড, আয়না আদি সামৰে (আয়নাত এবাৰ চাই লয় গালত হাত দি, দাড়ি খুৰাব লাগিব নেকি)...] ইচ্, অতবোৰ মামৰে ধৰা ব্লে’ড নো ই কাঞ্চাই দেখা নাই নে? এইবোৰ আৰু লগত ভাৰ বান্ধি লৈ গৈ কি কৰিম? নাই, এইবোৰ বিসৰ্জন দিয়াহে কথা [খিৰিকিৰে পেলাই দিয়ে] নে’ক্স্‌ট? অ’ মোৰ জোতা, চেণ্ডেল যাৱতীয় ফুটৱেৰ! [বিছনাৰ তলৰপৰা, আঁঠুৱাৰ ওপৰৰপৰা, দুৱাৰৰ চুকৰপৰা, সম্ভৱ-অসম্ভৱ সকলো ঠাইৰপৰা জোতা-চেণ্ডেল-চপ্পল-মিলিটাৰী বুট (ভাল, বেয়া, ছিগা, জৰাজীৰ্ণ, চিক্‌চিকীয়া, ৰং নোহোৱা) বাহিৰ কৰে, দুযোৰমান খবৰৰ কাগজেৰে মেৰিয়ায়, কিছুমান পুৰণি জোতাৰ ফিটা দাঙি ধৰে, শুঙি চায়, নাক কোঁচায়, তাৰপাছত

এযোৰ অৱস্থা নোহোৱা চেণ্ডেল-শ্বু চকুৰ সমুখত দাঙি ধৰে, বিভ্ৰান্ত] এইযোৰ কেতিয়াৰ? অ' এইযোৰ! যিযোৰ কিনাৰ দিনা তাইৰ লগত প্ৰথমে চিনাকি হৈছিলোঁ——ইচ্, কি ছেন্টিমেন্টেলেই নাছিলোঁ—আজিলৈকে পেলাই দিব পাৰা নাই [মন স্থিৰ কৰে] যিহওক, অতীত মৰি গ'ল/তাৰ কথা অন্ত হ'ল/মনৰপৰাই তাক কৰা বিসৰ্জন/হা, কবিয়ে ক'বৰদৰে, অতীতক যোৱাহে পাহৰি [এটা ভঙ্গী দি জোতাযোৰ খিৰিকিৰে বাহিৰলৈ নিক্ষেপ কৰে, লগে-লগে আৰু আন কিছুমান জোতা] ইচ্, দস্তুৰমত বাটা কোম্পানী হৈ আছে ৰুমটো, অশোক বৰঠাকুৰ পাদুকালয় আন্‌লিমিটে'ড্ [জোতাৰ ফিটাবোৰ পুনৰ তুলি লয়, ভাবে]—অ', এইবোৰ, এইবোৰ মাই পেলাই নিদি সাঁচি থ'বলৈ কৈছিল, মাই কৈছিল কুটা এডালো দলিয়াই পেলাব নাপায়, জোতাৰ ফিটা তো জোতাৰ ফিটা! মাই কৈছিল, "যাক ৰাখিবি, সি ৰাখিব।" যাক ৰাখিবি, সি ৰাখিব, হা, ভাল প্ৰভাৰ্ব—কিন্তু এইবোৰেৰে মই আৰু কি কৰিম—ছেন্টিমেন্টেল্ হৈ থাকিলেই হ'ব নে? [পুনৰ মন স্থিৰ কৰে, ফিটাবোৰ গুলি পকাই ৱে'ষ্ট্ পেপাৰ বাস্কেটত পেলাই দিয়ে] মাই আৰু নিশ্চয় এশ বছৰ আগৰ জোতাৰ ফিটা কঢ়িয়াই থাকিবলৈ কোৱা নাই, সেইটো এব্‌চাৰ্ড [জোতাবোৰ চিজিল লাগি আহে, হঠাৎ এযোৰ কাঠৰ খৰম হাতলৈ আহে] গুড গড! [চিন্তা কৰে, কপাল কোঁচায়] আঃ! কল্প জেঠাদেউৰ খৰম, পুৱাৰ ট্ৰেইন ধৰিবলৈ লৰালৰি কৰোঁতে পাহৰি এৰি গ'ল, হঁা, এতিয়া মনত পৰিছে [হঠাৎ কৌতূহলী] এই বস্তুটো বাৰু পিন্ধে কেনেকৈ মানুহে? হাইহিল্ পিন্ধে ছোৱালীবোৰে বাৰু বুজিলোঁ, সিহঁত প্ৰাণীয়েই বেলেগ—কিন্তু মতা মানুহে বাৰু কেনেকৈ এনেকুৱা এটা ক্লাম্‌জি বস্তু [সকলো পাহৰি গৈ চেণ্ডেলযোৰ খুলি খৰমযোৰ পিন্ধে আৰু খটপ্ খটপ্‌কৈ খোজ কাঢ়ি চায়, মুখত বুঢ়া মানুহৰ ভাব এটা আনিবৰ চেষ্টা কৰে আৰু কল্প জেঠাদেউৰ কথা অনুকৰণ কৰিবৰ চেষ্টা কৰে] বুজিছ অশোক, এইবোৰ কথাৰ তহঁতে এতিয়াও ভূ পাবৰ নৌ, আমিহে বুজোঁ...বোলোঁ লুইতেহে জানে ব'ঠা কিমানলৈ বয়...যাক, এইবোৰৰ বিষয়েও ছেন্টিমেন্টেল্ হোৱাৰ আৰু দৰ্কাৰ নাই, কল্প জেঠাদেউ কাহানিবাই— [নীৰৱ হৈ যায়] যিহওক, here goes! [খিৰিকিৰে নিক্ষেপ] অ' এইটো থাকিল [প্ৰাগৈতিহাসিক ওভাৰকোট এটা হাতত তুলি লয়] আঃ দেউতাৰ কোটটো! যাক কয় এটা বাপতিসাহোন, এৰা, এটা বাপতিসাহোন par excellence—দেউতাৰ কোট তথা ঘৰৰ সকলোৰে কোট—ইচ্, দেউতাৰ ইমান মৰমৰ কোটটো আছিল, এইটো বাৰু মই এতিয়া কেনেকৈ এৰোঁ, ভাৰ বান্ধিয়েই বা লৈ যাওঁ কেনেকৈ, কমতো গধুৰ নহয়—অ, গধুৰ হ'বতো, বছৰৰ পাছত বছৰ এইটোৱেই ঘৰৰ সকলোৰে গুদামঘৰ হৈ পৰা নাই জানো, ওলাওঁতে-সোমাওঁতে যাৰ যি জমা থ'বলগীয়া আছে চব তো কোটটোৰ পকেটতেই গম্ভীৰচে পেলাই দি—বাপ্! কম ভাৰী হোৱা নাই—ইয়াৰ পকেটে-পকেটে লাইনিঙৰ ভিতৰত অন্ধ্ৰে-ৰন্ধ্ৰে কি যে নাই দেৱা ন জানন্তি কুতো মনুষ্যা [খুঁচৰি-খুঁচৰি কোটটোৰ জেপৰপৰা বস্তুবোৰ বাহিৰ কৰে, পুৰণি ফটোৰপৰা আৰম্ভ কৰি...] এইখন কাৰ ফটো? অ', মাণিকী বাইদেউ আৰু বাব্‌লু, বাব্‌লুৰ ১।। বছৰ বয়সত তোলা—এয়া দেখোন আমাৰ ৰোহিণী, মেডিকেল কলেজৰ সন্মুখত প'জ্ দিছে আমাৰ মেডিকেল-ষ্টুডেন্ট ৰোহিণী—[কিতাপ এখন টানি উলিয়ায়] Functions of a Complex Variable—হুঃ—Murder in Mombasa—হাঃ—সৰল স্বপ্নফল-বিদ্যা—হেঃ— Adventures of Sherlock Holmes—লখিমীৰ ৰন্ধাবঢ়া—গুপ্তপ্ৰেছ ডাইৰেক্টৰী পঞ্জিকা ১৩৫৫—শ্ৰীমদ্ভাগৱত গীতা [পাত এটা লুটিয়ায়] সঞ্জয় উবাচ—হু—যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি—[এটা মৰা মেকুৰী] গুড্ হে'ভন্‌ছঅ! আৰু কি যে আছে ভগৱন্ত বস্তুৱেহে জানে [বুটাম, থাৰ্মমিটাৰ, ভঙা কেমেৰা, চিনামাটিৰ পুতলা, বেলুন, তুলসীৰ মালা, ৰবৰৰ বল...বলটো বাম্প্ কৰি-কৰি ক'ৰবালৈ গুচি যায়]—অসম্ভৱ—অসম্ভৱ—ইন্‌ক্ৰেডিব্‌ল—[পুনৰ ফোনৰ ধ্বনি। উঠায়] হেল? কোন? বিদ্যুৎ? আহিব ধৰিছ? বেছ, বেছ কি? অ, মই পেক্ কৰিব ধৰিছোঁ—নাই, কাঞ্চাটো নাই—অ, তই আহ, আহ, সোনকালে আহ, পাঁচটা বাজিবই—কি কৈছ? অ, ৰবিন্সন ক্ৰুছ'ৰদৰে, ঠিক, মাত্ৰ এতিয়ালৈকে ফেৰাডে'—মানে ফ্ৰাইডে'ৰ পাত্তা নাই, ক'ৰবাত বিড়ি খাই বহি আছে চিয়'ৰ্! অ' তই আহ, আহ [ফোন থয়] অ, তাৰপাছত...তাৰপাছত...ইয়েছ্, মোৰ কাগজ-পত্ৰ [লণ্ড-ভণ্ড কৰি কাগজ-পত্ৰ টানে, মেলে, সৰিয়ায়, ফাইলত ভৰায়, ৱে'ষ্ট-পে'পাৰ-বাস্কেটত দলিয়ায়] ৰাম ৰাম, ইমান কাগজ ঘৰটোত জমা হৈ আছিল বুলি ভাবিব কাৰ সাধ্য? আচৰিত, আচৰিত! তিতাগড় পে'পাৰ-মিলত দিনে কিমান কাগজ তৈয়াৰ হয়? তাৰ এদিনৰ তৈয়াৰী কাগজেৰে বোলে পৃথিৱীৰ চাৰিওপিনে ইমান পাক [কিমান পাক?] মেৰাব পাৰি—হ'ব পাৰে, কিন্তু মোৰ ইয়াৰ কাগজবোৰ এখনৰ পাছত এখন জোৰা লগালে একেবাৰে জোনবাই পাবগৈ, ৰিটাৰ্ন-ট্ৰিপলৈও জুৰিব জৰুৰ! চিঠি...চিঠি...অ' এইখন মাৰ চিঠি, কল্যাণীয় বাপু, আজি দুসপ্তাহ তোমাৰ কোনো চিঠি-পত্ৰ নাপাই বৰ চিন্তা হৈ আছে...তোমাৰ পেটৰ অসুখৰ কাৰণে পঠোৱা থেকেৰাখিনি পাইছা নে নাই তাৰো কোনো খবৰ নাপাওঁ...[নীৰৱে শেষ কৰি জেপত ভৰায়] এইবোৰ নো কেনেকৈ পেলাই দিব পাৰি—এইবোৰ বিয়াৰ চিঠি নেকি?...শ্ৰীশ্ৰীপ্ৰজাপতয়ে নমঃ, সবিনয় নিবেদন, অহা ব'হাগৰ ১৮ তাৰিখ (ইং ১৪ এপ্ৰিল) মোৰ নুমলীয়া কন্যা শ্ৰীমতী...Dear Sir, with reference to your letter no. P/11/27/D dated...তোমাৰ তেজ পৰীক্ষাৰ ৰিপোৰ্টটো পঠিয়ালোঁ...ৰোহিণীয়ে মেডিকেল পঢ়াকে ঠিক কৰিলে...মাৰ্কশ্বীট্‌খন ৰেজিষ্ট্ৰী কৰি পঠিয়াবা...বাব্‌লুক ক্লাছ থ্ৰীত নাম লগাই দিছোঁ...[ৰৈ যায়, নীলা ফিটাৰে বন্ধা জাপ এটা খোলে, ভয়ে-ভয়ে পঢ়ে] কালি ওৰে নিশা মোৰ টোপনি অহা নাই, তুমি কলেজ শেষ হ'বৰ সময়ত কোৱা কথাকেইটা বাৰে-বাৰে ওৰে ৰাতি মনত পৰি আছে...আবেলি যেনে-তেনে এবাৰ আহি যাবা [কথাখিনিৰ পুনৰাবৃত্তি কৰে, স্বয়ংক্ৰিয়ভাৱে অন্যমনষ্ক হৈ টেলিফোনটো তুলি লয়, চিঠিখনৰ পিনে চাই অন্যমনস্কভাৱে কয়] টু ডাব্‌ল্ ৱান্ প্লীজ্ [হঠাৎ সতৰ্ক হৈ ফোনটো সশব্দে নমাই থয়] নাই-নাই—দীপালীক আৰু ফোন কৰাৰ কোনো মানে নহয়—অতীতক যোৱাহে পাহৰি, ইত্যাদি [পুনৰ কাগজ বাছিব ধৰে, মজিয়াত এটা স্তূপ জমা হয়, টেবুলত আন এটা] মস্কিল

হ’ল এয়ে যে পুৰণি মায়াবোৰ থাকি যায়, সেইবোৰ ভালুকৰ সাঙিৰদৰে গলত ওলমি থাকে, এৰিবও নোৱাৰি, লৈ ফুৰাবলৈও কষ্ট—মাৰ চিঠিবোৰো এৰিব নোৱাৰোঁ, দেউতাৰ কোটটোও এৰিব নোৱাৰোঁ, দীপালীৰ ছবিখনো এৰিব নোৱাৰোঁ, বাবলুৰ [দেৰাজৰপৰা এটা ফিডিং বটল হাতলৈ আহে] বস্তুবোৰো এৰিব নোৱাৰোঁ—দিনে-দিনে ঝামেলা বাঢ়ি যায়, সকলো শেষ হৈ যোৱা, খতম হৈ যোৱা বস্তু গলত বান্ধি লৈ ফুৰিব লাগে [এটা পুৰণি বাদ্য-যন্ত্ৰ, আঙুলিত লাগি টুংকৈ এটা শব্দ হয়] য’তে বিচাৰোঁ পুৰণি দিনৰ কিবা এটা ভুতুংকৈ চকুৰ আগত জাঁপ মাৰি ওলাই আহে [এখন পুৰণি টেনিচ ৰেকেট আৰু এযোৰ গগলচ্, হতত লৈ চিন্তা কৰে] ইংৰাজীত কি এটা কথা আছিল—অ, skeleton in the cupboard—আলমাৰীৰ ভিতৰৰ জঁকা—বন্ধ পেৰাৰ ভিতৰত তাহানিখনৰ কঙ্কাল [এটা হট্‌ৱাটাৰ বেগ খিৰিকিৰে দলিয়ায়] ভাল বাক্যটোৰেই উলিয়াইছে—skeleton in the cupboard [এখন ট্ৰাইচাইকেল টানি বাহিৰ কৰে। কাগজ, কলম, পেঞ্চিল, হাৰিকেন লেম, পেট্ৰমাক্স] অ’, ভাইমনৰ বিয়াৰ সেই পেট্ৰমাক্সটো—কি কাণ্ড! [কিবা এটা ঘটনা মনত পৰে, হাঁহে...পুৰণি শূন্য চিগাৰেটৰ টিন, দিয়াচলাইৰ বাঁহ, টিন (একোটা হাতলৈ আহে আৰু মুখ বিকৃত কৰে), বটল...এই সকলোৰে মাজত মুখৰ বিস্ফোৰণবোৰ বন্ধ নহয় ঃ বিৰক্তি, বিস্ময়, অবিশ্বাস...এবাৰ এটা চাবি-দিয়া শহাপহু পায়, চাবি দিয়ে, শহাপহুটো জঁপিয়াই-জঁপিয়াই গুচি যায়, বিমুগ্ধ হৈ চায়। ৰয়, ঘড়ী চায়, পুনৰ কাগজ সামৰে, অসংখ্য কেলেণ্ডাৰ, কিছুমান মেৰিয়াই থোৱা] ট্ৰিবিউনৰ কেলেণ্ডাৰ—বান্দৰ বয় বিৰিৰ কেলেণ্ডাৰ—বাঃ, বঢ়িয়া ছবি, এপিনে নাৰ্গিচ, এপিনে জৱাহৰলাল, মাজতে বিৰিৰ পেকেট—১৯৪৯ চনৰে—ইউনাইটেড হোমিও হ’ল—১৯৪৩ চনৰ কেলেণ্ডাৰ—শৰ্মা বুক এজেন্সি—১৯৫০ চনৰ—[কেলেণ্ডাৰবোৰ থূপ কৰে, দিয়াচলাই বিচাৰে, জুই লগাই দিয়ে] বঢ়িয়া ছিম্বলিক ব্যাপাৰ! অতীতক দাহ কৰি পেলালোঁ, পুৰি পেলালোঁ—বেছ ছিম্বলিক্ কাণ্ড—ধোঁৱাই খাব অৱশ্যে কিছু [নাকত ধোঁৱাই ধৰে। টেলিফোন বাজে] হেল? হয়, অশোক বৰঠাকুৰ। অ’ মুক্তিয়াৰ বাবু? আঃ—ছৰী, এতিয়া সময় নাই—ঘৰত জুই দিছোঁ—নহয়, নহয়, ঘৰত জুই লগোৱা নাই, অতীতক পুৰি পেলাইছোঁ—[অগ্নিকাণ্ডৰ পিনে চায়] যোৱা দহ হাজাৰ বছৰৰ কেলেণ্ডাৰৰ সংকলন—কি? ৰিপৰ্ট কৰি দিব? ভট্টক? হাঃ-হাঃ-হাঃ, ভয় খাইছে কিয়, ভট্টৰ ঘৰৰ কোন্নো ক্ষতি নহয়, ভয় নাই ভয় নাই—ৰুমটোৰ একো নহয়—ৰুম ৱাজ্ নট বিল্ট্ ইন্ এ’ ডে’, হাঃ-হাঃ-হাঃ [সোল্লাসে ফোন নমাই থয়] হাঃ-হাঃ-হাঃ, ভাল উত্তৰটো পাইছে এতিয়া ভট্টই, ৰুম্ ৱাজ্ নট্ বিল্ট ইন এ’ ডে’ [হঠাৎ সজাগ হৈ উঠে] সময় নাই—সময় নাই—পাঁচটা বাজিল—হাৰি আপ্, হাৰি আপ্ [এটা বন্ধ বাকচ টানি বাহিৰ কৰে, বিভ্ৰান্ত] এইটো আকৌ কি? এইটো ক’ত আছিল? [হাতেৰে চুই চায়, তাৰপাছত শুঙি চায়, তাৰপাছত ভয়ে-ভয়ে কাণ এখন লগাই বাকচটোৰ ভিতৰৰপৰা কিবা শব্দ শুনিবৰ চেষ্টা কৰে, অৱশেষত মৰসাহ কৰি টান মাৰি খুলি পেলায়] আঃ, আৰু এটা তাহানিৰ দিনৰ কঙ্কাল, অতীতৰ জঁকা, skeleton in the cupboard [বাকচটোৰ ভিতৰৰপৰা এপদ-এপদকৈ থিয়েটাৰৰ পোছাক, নকল দাড়ি-গোঁফ, ঢাল-তৰোৱাল আদি বাহিৰ কৰে] এনেকুৱা কিবা এটা বাকচৰ কাণ্ড এখন চিনেমাতে আছে দেখোন? অ—ঠিক এনেকুৱা কাণ্ড...আঃ, এসময়ত, অতীতত—সৌ তাহানিখনৰ মোৰ থিয়েটাৰৰ উৎসাহ—তাহানিৰ থিয়েটাৰ কৰা চখৰ জঁকা...[মূৰত এটা মুকুট পিন্ধে, হাতত এখন তৰোৱাল লয়, হঠাৎ পুৰণি কথা মনত পৰে, ৰজাৰদৰে ভঙ্গী দিয়ে] আঃ মনত পৰিছে, মনত পৰিছে—‘আলেকজেণ্ডাৰ আৰু দস্যু’। হা—আলেকজেণ্ডাৰ আৰু দস্যু [অভিনয় কৰে] ঃ

তয়ে কি সেই গ্ৰেচীয় দস্যু যাৰ অত্যাচাৰ
শুনো প্ৰজাগণ মুখে এত বাৰম্বাৰ?

[মুকুট খোলে, তৰোৱাল থয়, ৰজাৰ ঠাইত চকী এখন থয়; আৰু চকীখনৰ সন্মুখলৈ গৈ এজোৰ প্ৰকাণ্ড গোঁফ লগাই লৈ চকীখনৰ উদ্দেশ্যে কয়] ঃ

কোনে বোলে দস্যু মোক আদ্যন্ত নাজানি
গ্ৰেচীয় কুলজ মই বীৰ চূড়ামণি।
[পুনৰ আগৰ ঠাইলৈ আহে, চকীখন গুচায়, পুনৰ আলেকজেণ্ডাৰ হয়]ঃ
বীৰ চূড়ামণি? কি! কি! বীৰ চূড়ামণি?
পাষণ্ড দস্যু তই অমঙ্গল খনি
নগৰে নগৰে তই অগণি জ্বলালি
হৰিয়া প্ৰজাৰ ধন দাৰিদ্ৰে ডুবালি—
[আকৌ দস্যুৰ ভাও]
ক্ষান্ত হোৱা মহাৰাজ! অযথা কুৎসা ৰটনাৰ আগে
গ্ৰেচীয় কুলজ এই বীৰে মাথোঁ এই ভিক্ষা মাগে—

[টেলিফোন বাজে। গোঁফ খুলি টেলিফোনলৈ দৌৰে] হেল? No, no, ছৰি—ৰং নাম্বাৰ [ফোন থয়। পুনৰ ফোন বাজে] হেল? ইয়েছ—অ’, বিদ্যুৎ, কি হ’ল, তই এতিয়াও ঘৰতে আছ? কিয়? আলহী আহিছে? কোন আলহী? বিদায় কৰ, বিদায় কৰ, সোনকালে বিদায় কৰ, পাঁচটা বাজিবই এতিয়াই—বাৰু,—বাৰু, যিমান সোনকালে পাৰ—মোৰ প্ৰায় হৈ আহিছে—নাই, ফ্ৰাইডে’ এতিয়াও নিৰুদ্দেশ—বহুত স্কে’লিটন ইন দি কাবাৰ্ড্ আৱিষ্কাৰ কৰিছোঁ—এইমাত্ৰ আমাৰ পুৰণি ড্ৰামাটিক্ ছ্চাইটীৰ

কষ্টিউমবোৰ আৱিষ্কাৰ কৰিলোঁ—চব পুৰণি দিনৰ কঙ্কাল, আজিও লগত লৈ ফুৰিছোঁ—আৰু বা ৰুমটোত কি-কি আছে কোনে জানে—অ বাৰু, তই আহ, আহ—সোনকালে [ফোনটো নমাই থয়। কাবাৰ্ড্ খুলিব খোজে, ৰৈ যায়] সঁচাসঁচিকৈয়ে এটা কাবাৰ্ড্! এটা সঁচাসঁচি কাবাৰ্ড্! যদি ইয়াত সঁচাকৈ এটা স্কে'লিটন্ ওলাই যায়? ধেৎ—মোৰ মাথা খাৰাপ হৈ যাব ধৰিছে—ইয়াত কেনেকৈ —[কাবাৰ্ড্টো টান মাৰি খোলে, জঁকা এটা হুৰমূৰকৈ ওলাই গায়ে-মূৰে পৰে। স্তম্ভিত অবিশ্বাস; ভাবে; মুখ উদ্ভাসিত হয়] অ'—ৰোহিণীৰ স্কে'লিটন্টো, অ'—ৰোহিণীৰ সেই মেডিকেল ষ্টুডেন্টৰ দিনৰ সেই স্কে'লিটনটো—ধেত্তেৰি, এক্কেবাৰে ভয় খুৱাই দিলে। নাই-নাই, আৰু সময় নাই। [ঘড়ী চায়] পাঁচটা বাজিল—পাঁচটা বাজিল—clear the decks, clear the decks—এইবাৰ ফাইনেল পেকিং—তাড়াতাড়ি-তাড়াতাড়ি। [ব্যতিব্যস্ত হৈ বস্তু-বাহানি সামৰিব ধৰে, আৰু অদৰ্কাৰীবোৰ বাহিৰলৈ দলিয়াব ধৰে, একোটা শূন্য বটল তোলে, নামটো পঢ়েঃ 'কড্লিভাৰ্ অয়ল্', 'দুলালেৰ তালমিছৰি', 'হে'ৱাৰ্ডছ্ মল্ট্ হুইস্কি', 'ভিটামিন্ বি কম্প্লেক্স'...আৰু দলিয়ায়। তেনেদৰে টিনবোৰ পঢ়েঃ 'ফাৰেক্স্ বেবী ফুড্', 'ফ্লিট্', 'কাউ ব্ৰেণ্ড্ কণ্ডেন্সড্ মিল্ক্'...আৰু দলিয়ায়, আৰু ঘড়ী চায়, আৰু চিঞৰেঃ "ইম্পচিব্ল্", "ইন্ক্ৰেডিব্ল", "Here goes!", "সময় নাই! সময় নাই!", "Hurry! Hurry!", "পাঁচটা বাজিল, পাঁচটা বাজিল"...। ভগা টুল, স্প্ৰিং ভগা চকী, ঠেং নোহোৱা টেবুল, এটা বহুবিকৃত ছাতি, এটা পুৰণি বাদ্যযন্ত্ৰ নমাই থয়, আৰু ক্ৰমে-ক্ৰমে কোঠালিৰ ঠাহ খোৱা পৰিস্থিতি বদলি যায়, টেবুল-আলনা-বিছনা-মজিয়া-কিতাপৰ ৰেক্ ইত্যাদি সকলোতে বিস্তৰ খালি ঠাই ওলাই পৰে, দুটামান পুৰণি বাল্ব আৰু লাইটৰ শ্বে'ড্ লৈ একমুহূৰ্ত ভাবে, তাৰপাছত সেইবোৰ নদলিয়াই নমাই থয়, জঁকাটো এবাৰ সামৰিবৰ চেষ্টা কৰে, অবাক হৈ কোঠাটোলৈ চায় আৰু টেলিফোনলৈ দৌৰে, উত্তেজিতভাৱে টেলিফোনটো উঠাই লয়] হেল—হেল—ৱান অ' নাইন্ এ' (1O9A) প্লীজ্—এ'ক্সটে'ন্চন এ', ইয়েছ—[ৰয়, আৰু সবিস্ময়ে সানন্দে কোঠাটোলৈ চায়] হেল? বিদ্যুৎ? এতিয়াও ওলোৱা নাই? ভাল হৈছে, তই আহিব নালাগে। অ [চিঞৰে] তই আহিব নালাগে। মই ঘৰ নসলাওঁ। অ [চিঞৰে] মই ঘৰ নসলাওঁ। অ—ঠিকেই শুনিছ। মই আৱিষ্কাৰ কৰিলোঁ—কি আৱিষ্কাৰ কৰিলোঁ জান? কি আৱিষ্কাৰ কৰিলোঁ জান? মই আৱিষ্কাৰ কৰিলোঁ যে মোৰ ঘৰত আচলতে ঠাইৰ অভাৱ নাই—আচলতে ঠাইৰ কোনো অভাৱ নাই। ৰবিন্সন্ ক্ৰুছ'ৰ লগত মোৰ পাৰ্থক্য [সিমূৰে সম্ভৱতঃ ভালদৰে শুনা নাই, চিঞৰে] মই কৈছোঁ যে ৰবিন্সন্ ক্ৰুছ'ৰ লগত মোৰ পাৰ্থক্য এয়ে যে ৰবিন্সন্ ক্ৰুছ'ই লগত ভাৰ বান্ধি লৈ ফুৰা বস্তুবোৰ তেওঁৰ কামত আহিছিল—আমি [চিঞৰে]—আমি আজিকালি—আমি আজিকালি—আমি অলাগতিয়াল বস্তু কিছুমান কঢ়িয়াই লৈ ফুৰিছোঁ—জীৱন বহু জটিল হ'ল—শুনা নাই? [চিঞৰে] আমি ব্যতিব্যস্ত হৈ অলাগতিয়াল বস্তু কিছুমান কঢ়িয়াই লৈ ফুৰিছোঁ—অ, তই আহিব নালাগে, মোক এই ঘৰটোৱে জুৰিব, মই ইয়াতে থাকিলোঁ।*

* শুনা কাহিনী এটাৰপৰা পৰীক্ষামূলক একাংকিকা হিচাপে নাটিকাখন কৰা হৈছে। এই জাতীয় ঘটনা এটা হেনো সঁচাকৈয়ে এজনৰ ঘটিছিল, কিন্তু মানুহজনৰ গল্প কোৱাৰ অভ্যাস আছে, গতিকে ঘটনাটো সঁচা নে ক'ৰবাৰ পুৰণি গল্প, লেখকৰ জনা নাই। মঞ্চত চৰিত্ৰ এজন (টেলিফোনটো ধৰিলে দুজন), আৰু মঞ্চত প্ৰথমতে বস্তু ভৰ্তি, খালি ঠাই প্ৰায় নায়েই—সংলাপৰ উদ্ভাৱনাৰ (improvisation) কাৰণে কিন্তু মঞ্চত ঠাই আছে বিস্তৰ।